জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৬৬২/২০২০

<u>কৃষি সংস্কাৰ আইন শীৰ্ষক আলোচনাচক্ৰত অংশ গ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে</u>

# ঐতিহাসিক কৃষি আইন কেইখনে কৃষিখণ্ডত বৈপ্লৱিক পৰিৱৰ্তন সম্ভৱ কৰি তুলিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১ অক্টোবৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি কেন্দ্ৰীয় যুৱ কল্যাণ আৰু ক্ৰীড়া দপ্তৰৰ ৰাজ্যিক স্বতন্ত্ৰ মন্ত্ৰী কিৰেণ ৰিজিজু আৰু কেন্দ্ৰীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলীৰ উপস্থিতিত অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত ‘কৃষি সংস্কাৰ আইন ঃ মোদী চৰকাৰৰ ঐতিহাসিক পদক্ষেপ’ শীৰ্ষক এক আলোচনা চক্ৰত অংশ গ্ৰহণ কৰে।

দেশৰ কৃষকসকলৰ সৱলীকৰণৰ লগতে কৃষিখণ্ডৰ দ্ৰুত বিকাশৰ বাবে কেন্দ্ৰীয় চৰকাৰে প্ৰণয়ন কৰা শেহতীয়া আইন তিনিখনক ঐতিহাসিক বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী সোণোৱালে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক এই পদক্ষেপৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। নিজকে কৃষকৰ সন্তান বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে এই যুগান্তকাৰী পদক্ষেপে দেশৰ কৃষিখণ্ডলৈ বৈপ্লৱিক পৰিৱৰ্তন কঢ়িয়াই আনিব তথা কৃষকসকলৰ অৰ্থনৈতিক উত্তৰণৰ দিশত মাইলৰ খুটি হিচাপে চিহ্নিত হৈ ৰ’ব। মুখ্যমন্ত্ৰীয়ে কয় যে এই আইন কেইখনে দশক দশকজুৰি চলি থকা ‘মাণ্ডি’ ব্যৱস্থা আৰু মধ্যভোগীৰ দপদপনি নাইকীয়া কৰি কৃষকসকলে উৎপাদিত সামগ্ৰীৰ বিপৰীতে উচিত মূল্য লাভ কৰাৰ বাট প্ৰশস্ত কৰিছে। এই আইন কেইখনে কৃষি সামগ্ৰী বিপণনৰ ক্ষেত্ৰত থকা পূৰ্বৰ বাধা-নিষেধসমূহ নাইকীয়া কৰি কৃষকৰ বাবে সমগ্ৰ ৰাষ্ট্ৰৰ বজাৰ মুকলি কৰিলে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

উল্লেখ্য যে বিগত ৬ বছৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত গ্ৰহণ কৰা বহু যুগান্তকাৰী পদক্ষেপৰ অংশ হিচাপে শেহতীয়াকৈ কৃষিখণ্ডত ‘কৃষকৰ দ্বাৰা উৎপাদিত সামগ্ৰীৰ বাণিজ্য (পৃষ্ঠপোষকতা আৰু সুচলতৰকৰণ) আইন, কৃষকৰ (সৱলীকৰণ আৰু সুৰক্ষা) ৰ বাবে মূল্য নিশ্চিতিকৰণ আৰু কৃষি পাম চুক্তি আইন তথা অত্যাৱশ্যকীয় সামগ্ৰী (সংশোধনী) আইন কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰিছে।

মুখ্যমন্ত্ৰীয়ে কয় যে কৃষিখণ্ডৰ এই যুগান্তকাৰী আইন কেইখনে প্ৰধানমন্ত্ৰীৰ ‘সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস’ নীতিক বিশেষ গতি প্ৰদান কৰাৰ লগতে ‘এক ৰাষ্ট্ৰ, এক বজাৰ’ ব্যৱস্থাক বাস্তৱায়িত কৰাৰ পথ মুকলি কৰিলে। মুখ্যমন্ত্ৰীয়ে কয় যে ২০১৪ চনত দেশৰ শাসনভাৰ গ্ৰহণ কৰাৰ সময়ৰে পৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰধানমন্ত্ৰী কৃষি সিঞ্চাই যোজনা, ফচল বীমা যোজনা, কযক সন্মান নিধি, পি এম কিষাণ আদিৰ দৰে আঁচনি গ্ৰহণ কৰি কৃষিখণ্ডৰ উত্তৰণৰ দিশত বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিছে।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে কেন্দ্ৰীয় চৰকাৰৰ সমান্তৰালভাৱে অসম চৰকাৰেও ৰাজ্যৰ কৃষিখণ্ডৰ বিকাশৰ বাবে সুদূৰপ্ৰসাৰী পদক্ষেপ গ্ৰহণ কৰিছে। ৰাজ্যৰ ২৬ হাজাৰ গাঁৱৰ প্ৰতিখনতে এখনকৈ ট্ৰেক্টৰ যোগানৰ লক্ষ্যৰে অসম চৰকাৰে ইতিমধ্যে ১৪ হাজাৰ গাঁৱত ট্ৰেক্টৰ যোগান ধৰিছে। তদুপৰি, দেশৰ বিভিন্ন ৰাজ্যৰ লগতে আন্তঃৰাষ্ট্ৰীয় বজাৰ দখলৰ বাবে কাৰ্গো বিমান সেৱাৰ মাধ্যমেদি অসমৰ কৃষিজাত সামগ্ৰী ৰপ্তানিৰ পদক্ষেপ অসম চৰকাৰে লৈছে বুলি মুখ্যমন্ত্ৰী সোণোৱালে কয়। কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ যৌথ সহযোগিতাৰ বাবে আজি ৰাজ্যৰ যুৱ প্ৰজন্মই কৃষিক এক মৰ্যাদা সম্পন্ন বৃত্তি হিচাপে গ্ৰহণ কৰিছে। এই মন্তব্য কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে মৎস খণ্ডকে ধৰি দুগ্ধ পালন, গাহৰি পালন আদি দিশত ৰাজ্যৰ যুৱ প্ৰজন্মই প্ৰচুৰ সম্ভাৱনা প্ৰত্যক্ষ কৰিছে।

আলোচনাচক্ৰত বক্তব্য প্ৰদান কৰি কেন্দ্ৰীয় ক্ৰীড়া আৰু যুৱ কল্যাণ দপ্তৰৰ ৰাজ্যিক স্বতন্ত্ৰ মন্ত্ৰী কিৰেণ ৰিজিজুৱে কয় যে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা ঐতিহাসিক কৃষি বিধেয়ক কেইখনে দেশৰ কৃষকসকলক নতুন স্বাধীনতা প্ৰদান কৰাৰ লগতে দেশৰ বিভিন্ন প্ৰান্তত নিজৰ উৎপাদিক সামগ্ৰী বিক্ৰীৰ সুযোগ প্ৰদান কৰিছে। তেওঁ কয় যে কৃষকসকলক উৎপাদিত সামগ্ৰী বিক্ৰীৰ ক্ষেত্ৰত পূৰ্বৰ সকলো বাধা-নিষেধ নাইকীয়া কৰি এই আইন কেইখনৰ অধীনত পূৰ্ণ স্বাধীনতা প্ৰদান কৰা হৈছে। কৃষি কৰ্মত কৃষকৰ সহায়ক হোৱাকৈ তথা কৃষিখণ্ডৰ সৰলীকৰণৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে সকলো প্ৰকাৰৰ সহায়-সহযোগিতা আগবঢ়াব বুলিও কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়।

অসম চৰকাৰৰ কৃষিমন্ত্ৰী অতুল বৰা, লোকসভাৰ সাংসদ প্ৰদান বৰুৱা, বিধায়ক তেৰচ গোৱালা, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীৰ লগতে বহু কেইগৰাকী কৃষি বিজ্ঞানী আৰু প্ৰগতিশীল কৃষক এই আলোচনাচক্ৰত উপস্থিত থাকে।

**স্বাক্ষৰঃ / বীঃগঃ / পুঃডেঃ**
**১/১০/২০২০**